# গোৱালপাৰা মহাবিদ্যালয়ত নামনি অসম শিক্ষামেলা

## ১৮খন বিশ্ববিদ্যালয়ৰ অংশগ্ৰহণ

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ১৯ মাৰ্চ ঃ দুদিনীয়া কাৰ্যসূচীৰে কালিৰেপৰা আৰম্ভ হৈছে গোৱালপাৰা মহাবিদ্যালয় প্ৰাংগনত কলেজ পণ্ডিত ডট্ কমৰ উদ্যোগৰ নামনি অসম শিক্ষামেলা। কালি জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে উদ্বোধন কৰা এই শিক্ষামেলাত দেশৰ ১৮খন বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, চি আৰ পি এফ কমাণ্ডেণ্ট দেৱশংকৰ মিশ্ৰ, বি টি কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হজৰত আলীকে ধৰি কেইবাগৰাকী অধ্যাপক উপস্থিত থাকে। এই শিক্ষামেলাই নামনি অসমৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ গঢ়াৰ মান নিৰূপণ কৰিব বুলি উদ্বোধক জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে আশা প্ৰকাশ কৰে। অধ্যক্ষ ড° বৰ্মনে কয় যে এনে শিক্ষামেলাই ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ লগতে ভৱিষ্যতৰ সপোন ফলিয়ায়। শিক্ষামেলাত দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠান ক্ৰমে পাৰুল বিশ্ববিদ্যালয়, গুজৰাটৰ কোৰে বিশ্ববিদ্যালয়, জি এন আই, আই টি এম বিশ্ববিদ্যালয়, কলকাতাৰ এন এছ এইচ এম, এন ই এফ কলেজ, আহমেদাবাদৰ ট্ৰান্সষ্টাডিয়া বিশ্ববিদ্যালয়, গুৱাহাটীৰ প্ৰতীক্ষা নাৰ্ছিং, পুণেৰ ভাৰতীয় বিশ্ববিদ্যালয়, পিম্পাৰী ছিন্‌ স্বোৰাদ বিশ্ববিদ্যালয়, পঞ্জাবৰ ছিটকাৰা বিশ্ববিদ্যালয়, এল পি ইউ, আৰ আৰ গ্ৰুপ, বাংলাদেশৰ এম বি বি এছ, পাইলান গ্ৰুপ অৱ্ ইনষ্টিটিউচন আৰু হাৰসা গ্ৰুপ অৱ্ ইনষ্টিটিউচনে অংশগ্ৰহণ কৰে।